# ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক
# প্ৰচলিত মুদ্ৰা পৰিচালনা বিভাগ

## নাগৰিকৰ চনদ

**1. নাগৰিকৰ চনদৰ উদ্দেশ্য**

নাগৰিকৰ চনদে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ দ্বাৰা (আৰবিআই) নোট আৰু খুচুৰা পইচাৰ বিনময়ৰ ক্ষেত্ৰত আগবঢ়োৱা বিভিন্ন সুবিধা সমূহ তথা আৰবিআই ইচ্ছু কাৰ্য্যালয়ৰ মনোনীত শাখাত আগবঢ়োৱা সেৱাৰ সাধাৰণ মানদণ্ডৰ জাননী প্ৰদান কৰে।

**2. আৰবিআই ইচ্ছু কাৰ্য্যালয়ত প্ৰাপ্তব্য সেৱাসমূহ**

আৰবিআই কাৰ্য্যালয় য'ত ইচ্ছু বিভাগ কাৰ্য্যকৰী হৈ থাকে, জনসাধাৰণলৈ তেওঁলোকৰ নোট সমূহ বিনিময় কৰাৰ সুবিধা আগবঢ়ায়। এইবোৰত ফটা-ছিটা নোট আৰু বেয়া তথা নচলা খুচুৰা পইচা অন্তৰ্ভুক্ত। নিজৰ নিজৰ আৰবিআই ইচ্ছু কাৰ্য্যালয়ত বাণিজ্যৰ সময়ত বেঙ্কে বিনামূলীয়া বিনিময় সুবিধা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

**3. বিনিময় সুবিধা আগবঢ়োৱা আৰবিআই কাৰ্য্যালয়সমূহৰ নাম**

আহমদাবাদ, বাঙ্গালোৰ, বেলাপুৰ (নৱী মুম্বাই), ভূপাল, ভুবনেশ্বৰ, চণ্ডীগড়, চেন্নাই, গুৱাহাটী, হাইদৰাবাদ, জয়পুৰ, জম্মু, কাণপুৰ, কোচি, কলকাতা, লক্ষ্নৌ, মুম্বাই, নাগপুৰ, নতুন দিল্লী, পাটনা আৰু থিৰুভনন্তপুৰম বেঙ্কৰ আঞ্চলিক কাৰ্য্যালয় সমূহত সুবিধা আগবঢ়োৱা হয়। আৰবিআই ৰ ঠিকণা আৰু টেলিফোন নম্বৰ সমূহ সংলগ্ন কৰা হৈছে।

**4. বেঙ্কৰ ৰাজহুৱা কাউন্টাৰত লেতেৰা আৰু ফটা-ছিটা নোট আৰু খুচুৰা পইচাৰ বিনিময়**

বেঙ্কৰ কাৰ্য্যালয়ৰ কাউন্টাৰত ৰাইজে তলত উল্লেখিত সুবিধাসমূহ লাভ কৰিব পাৰে। সেৱাসমূহ লাভ কৰাৰ প্ৰক্ৰিয়া তথা ইয়াৰ মূল্যসমূহ আৰু অভিযোগ মীমাংসাৰ পদ্ধতি তলত দিয়া ধৰণে

| ক্ৰ. নং. | আগবঢ়োৱা সেৱাসমূহ | সেৱা প্ৰাপ্তিৰ বাবে প্ৰক্ৰিয়া | সেৱাৰ মূল্য | সময়সীমা |
|---|---|---|---|---|
| I. | ক) নোট আৰু খুচুৰা পইচাৰ বিনিময়<br>খ) কাউন্টাৰত ত্ৰুটিযুক্ত নোটৰ বিনিময় (কেৱল কেইখিলামানৰ বাবেহে) | বেঙ্কৰ প্ৰত্যেক শাখাতেই বিনিময় কৰিব পৰা সুবিধা থকা কাউন্টাৰৰ ক্ৰমিক নম্বৰ বেঙ্কিং হল (আহল-বহল কোঠালি) ত প্ৰদৰ্শিত কৰা থাকে। মনোনীত কাউন্টাৰৰ জাননীৰ বাবে অনুসন্ধান কাউন্টাৰ বা মনোনীত কাউন্টাৰত যোগাযোগ কৰক। কোনো অসুবিধাৰ ক্ষেত্ৰত ন'ডেল বিষয়াক যোগাযোগ কৰক যাৰ নাম বেঙ্কিং হলত প্ৰদৰ্শিত কৰা থাকে। | বিনামূল্যে | ষ্টপ পে'মেন্ট বেঙ্কিং অৱধিৰ সময়ত। বেঙ্কিং অৱধি বেঙ্কিং হলত প্ৰদৰ্শিত কৰা হয় বা অনুসন্ধান কাউন্টাৰৰ পৰা জানিব পাৰি। |

| | | | | |
|---|---|---|---|---|
| II. | টিএল আৰ কভাৰ্চৰ জড়িয়তে দিয়া ক্ৰুটিযুক্ত নোটৰ বিনিময় (বেছি সংখ্যাৰ বাবে) | মনোনীত কাউন্টাৰত টিএলআৰ কভাৰৰ বাবে সোধক বা অধিক জাননীৰ বাবে অনুসন্ধান কাউন্টাৰত যোগাযোগ কৰক ।<br>টিএলআৰ কভাৰত আৰশ্যকীয় জাননী পূৰাওক ।<br>টিএলআৰ কভাৰত বেঙ্ক / শাখা / একাউন্ট নম্বৰ, ক'ত বিনিময় মূল্যৰ জমা হোৱা বিচাৰে ইত্যাদিৰ সবিশেষ উল্লেখ কৰক ।<br>সাধাৰণতে বিনিময় মূল্য তলত দিয়া ধৰণে আদায় দিয়া হয় :<br>ইচিএচ ক্ৰেডিট : দাবীদাৰৰ বেঙ্ক একাউন্ট এচিএচৰ জড়িয়তে জমা কৰা হ'ব,  যদিহে ইচিএচ আদেশ আৰ বিআইক দিয়া হৈছে ।<br>পে'মেন্ট অৰ্ডাৰ : যদি দাবীদাৰ স্থানীয় বাসিন্দা আৰু ইচিএচ আদেশ প্ৰাপ্তব্য নহয় ।<br>ডিমাণ্ড ড্ৰাফ্‌ট : যদি দাবীদাৰ স্থানীয় বাসিন্দা নহয় ।<br>মানি অৰ্ডাৰ : যদি দাবীদাৰ স্থানীয় বাসিন্দা নহয় আৰু তেওঁৰ কোনো বেঙ্ক একাউন্ট  নাই।<br>5. বন্ধ কভাৰত ফটা-ছিটা নোট স্বাভাৰিক বাণিজ্য কৰা সময়ৰ পিছত এঘন্টালৈকে টিপ্‌ল লক ৰিচেক্টেকলত গ্ৰহণ কৰা হয় ।<br>কোনো অসুবিধাৰ ক্ষেত্ৰত অনুগ্ৰহ কৰি অনুসন্ধান কাউন্টাৰ বা ন'ডেল বিষয়াক যোগাযোগ কৰক যাৰ নাম বেঙ্কিং হলত প্ৰদৰ্শিত কৰা থাকে । | এচিএচ বিনামূল্যে<br>মানি অৰ্ডাৰ (এমঅ') টকা 1000 লৈকে কোনো মূল্য নাই ।<br>টকা 1000 তকৈ অধিক পৰিমাণৰ বাবে ডাক ঘৰে প্ৰকৃত কমিশ্যন মূল্য লয় ।<br>ডিমাণ্ড ড্ৰাফ্‌ট (ডিডি) আদায় দিয়া পৰিমাণত, যেনেকৈ প্ৰযোজ্য, বিনিময়ৰ প্ৰকৃত পৰিমাণ<br>পে'মেন্ট অৰ্ডাৰ (পিঅ')<br>বিনামূল্যে | ইচিএচ<br>ক্ৰুটিযুক্ত নোটসমূহ পোৱাৰ 4 কাৰ্য্যকৰী দিনৰ ভিতৰত দাবীদাৰৰ একাউন্টত বিনিময় মূল্য জমা দিয়া হ'ব ।<br>এমঅ'/ডিডি/পিঅ'<br>এমঅ'/ডিডি/পিঅ' ক্ৰুটিযুক্ত নোটসমূহ পোৱাৰ 4 কাৰ্য্যকৰী দিনৰ ভিতৰত দাবীদাৰলৈ পঠিওৱা হ'ব । |

| | | | | |
|---|---|---|---|---|
| III. | বীমা কৰা পাৰ্চেলৰ জড়িয়তে দিয়া ক্ৰুটিযুক্ত নোটৰ বিনিময় (বহুত বেছি সংখ্যাৰ বাবে) | ক্ৰুটিযুক্ত নোট বীমা আৰু পঞ্জীয়ন পাৰ্চেলৰ জড়িয়তে সম্পৰ্কীয় ইচ্ছু কাৰ্য্যালয়ৰ জেনেৰেল / ডেপুটি মেনেজাৰলৈ পঠিয়াওক যাৰ কাৰ্য্যালয়ৰ ঠিকণা অনুসন্ধান কাউন্টাৰ বা ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ৱেবচাইটৰ পৰা পাব পাৰি । এখন গাঁঠি দিয়া পত্ৰত পঠিওৱা জনৰ নাম, ঠিকণা, বেঙ্ক একাউন্টৰ সবিশেষ তথা নোটসমূহৰ সবিশেষ উল্লেখ কৰিব । বিনিময় মূল্য পে'মেণ্ট অৰ্ডাৰ / ডিমাণ্ড ড্ৰাফ্ট / মানি অৰ্ডাৰৰ দ্বাৰাও আদায় দিব পাৰি । কোনো অসুবিধাৰ ক্ষেত্ৰত আপুনি সম্পৰ্কীয় ইচ্ছু কাৰ্য্যালয়ত টেলিফোন বা ইমেইলৰ জড়িয়তে যোগাযোগ কৰিব পাৰে, যাৰ সবিশেষ ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ৱেবচাইটত প্ৰাপ্তব্য । | ক্ৰ. নং. ii) ত উল্লেখ কৰাৰ দৰে একেই | ইচিএচ ক্ৰুটিযুক্ত নোটসমূহ পোৱাৰ 15 কাৰ্য্যকৰী দিনৰ ভিতৰত দাবীদাৰৰ একাউন্টত জমা দিয়া হ'ব । এমঅ'/ডিডি/পিঅ' এমঅ'/ডিডি/পিঅ' ক্ৰুটিযুক্ত নোটসমূহ পোৱাৰ 15 কাৰ্য্যকৰী দিনৰ ভিতৰত দাবীদাৰলৈ পঠিওৱা হ'ব । |
| IV. | বিশেষ প্ৰক্ৰিয়াৰ অধীনত ক্ৰুটিযুক্ত নোটৰ বিনিময় (যিবোৰ নোট বেছিকৈ পাতল হৈ পৰিছে, বেয়াকৈ জ্বলিছে, পুৰি ক'লা হৈ পৰিছে, পৃথক কৰিব নোৱাৰাকৈ একেলগে লাগি থকা আৰু সেই হেতুকে আৰু বেছি ব্যৱহাৰৰ বাবে সুচল নহয় বা সময়ৰ লগে লগে এইবোৰে মূল পৰিচয় হেৰুৱাব পাৰে । | অনুসন্ধান কাউন্টাৰ বা এজিএম / মেনেজাৰ (দাবী বিভাগ) ক যোগাযোগ কৰক । ব্যৱস্থা কৰা প্ৰপত্ৰত আৱেদন দাখিল কৰক । ক্ৰুটিযুক্ত নোটসমূহ আৱেদনৰ লগত জমা দিব নেলাগে । দাবী বিভাগৰ পৰা জাননী পোৱালৈ বাট চাওক । এই জাননীয়ে আপোনাক নোটসমূহ নিৰ্ণয় কৰাত তাৰিখ জনাব । | ক্ৰ. নং. ii) ত উল্লেখ কৰাৰ দৰে একেই | ক্ৰ. নং. ii) ত উল্লেখ কৰাৰ দৰে একেই |

| | | | | |
|---|---|---|---|---|
| | | নিৰ্দিষ্ট কৰা তাৰিখত ত্ৰুটিযুক্ত নোটসমূহ দাবী বিভাগলৈ লৈ আহক ।<br>যদি বিচাৰে, দাবীদাৰে ত্ৰুটিযুক্ত নোটসমূহৰ নিৰ্ণয়ৰ কাৰ্য্যকলাপ চাব পাৰে ।<br>ত্ৰুটিযুক্ত নোটত এঠা নলগাব বা পুন:গঠন নকৰিব । ত্ৰুটিযুক্ত নোটবোৰ যেনেকৈ আছে তেনেকৈ আনিব । | | |
| V | কইন ভেণ্ডিং মেশ্বিনৰ জড়িয়তে নোটৰ বিনিময়ত খুচুৰা পইচা | কইন ভেণ্ডিং মেশ্বিনত দিয়া প্ৰক্ৰিয়া অনুসৰণ কৰিব । কোনো অসুবিধাৰ ক্ষেত্ৰত অনুগ্ৰহ কৰি অনুসন্ধান কাউন্টাৰ বা ন'ডেল বিষয়াক যোগাযোগ কৰক । | বিনামূল্যে | বেঙ্কিং অৱধি মেশ্বিনৰ দ্বাৰা ষ্টপ পে'মেন্ট |

***5. গ্ৰাহক সম্পৰ্কীয় অসুবিধাসমূহ চোৱাচিতা কৰা ন'ডেল বিষয়াৰ নাম ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ আঞ্চলিক কাৰ্য্যালয়সমূহত প্ৰাপ্তব্য ।***

**6. অভিযোগ মীমাংসা**

আপুনি যদি কাউন্টাৰত পোৱা সেৱাত সন্তুষ্ট নহয় বা বেঙ্কে প্ৰদান কৰা সেৱা উন্নত কৰিবৰ বাবে আপোনাৰ কোনো পৰামৰ্শ আছে, আপুনি আপোনাৰ অভিযোগ / পৰামৰ্শ তলত দিয়াৰ দৰে আমালৈ পঠিয়াব পাৰে

(I) বেঙ্কিং হলত দি থোৱা স্বচ্ছ ড্ৰপ বক্সত আপোনাৰ অভিযোগ / পৰামৰ্শ পেলাওক ।

(ii) আপোনাৰ অভিযোগ / পৰামৰ্শ অনুসন্ধান কাউন্টাৰত থকা অভিযোগ / পৰামৰ্শ পঞ্জীয়ন বহীত লিখক ।

(iii) আপোনাৰ অভিযোগ / পৰামৰ্শ ডাক / কুৰিয়াৰৰ (বাৰ্তাবাহকৰ) দ্বাৰা ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ইচ্ছু বিভাগৰ জেনেৰেল মেনেজাৰ / ডেপুটি জেনেৰেল মেনেজাৰলৈ পঠিয়াওক ।

(iv) আপোনাৰ অভিযোগ / পৰামৰ্শ ই-মেইলৰ দ্বাৰা helpd.cm@rbi.org.in ত পঠিয়াওক ।

(v) আপোনাৰ অভিযোগ মীমাংসাৰ বাবে আপুনি ইচ্ছু বিভাগৰ অধীনত উল্লেখিত বিষয়া সমূহক ব্যক্তিগতভাৱে বা টেলিফোনৰ জড়িয়তে যোগাযোগ কৰিব পাৰে :

| ক্ৰ. নং. | বিষয়াৰ নাম | পদবী | ঠিকণা | টেলিফোন নম্বৰ | ই-মেইল ঠিকণা |
|---|---|---|---|---|---|
| 1. | | জেনেৰেল মেনেজাৰ | | | |
| 2. | | ডেপুটি জেনেৰেল মেনেজাৰ | | | |
| 3. | | এচিষ্টেন্ট জেনেৰেল মেনেজাৰ | | | |
| 4. | | ট্ৰেজাৰাৰ | | | |

(vi) **আপোনাৰ অভিযোগ / পৰামৰ্শক ততালিকে সঁহাৰি জনোৱা হ'ব আৰু আপোনাৰ পত্ৰ পোৱাৰ এমাহৰ ভিতৰত মীমাংসাৰ বাবে কাৰ্য্য গ্ৰহণ কৰা হ'ব ।**

**7. সেৱাৰ সাধাৰণ চৰ্তসমূহ**

(I) ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ (নোট ৰিফাণ্ড) নিয়মৰ অধীনত এক অনুগ্ৰহৰ মান হিচাপে বেঙ্কে ক্ৰুটিযুক্ত / ফটা-ছিটা নোটসমূহ বিনিময় কৰে । যেতিয়া ক্ৰুটিযুক্ত / ফটা-ছিটা নোটসমূহ নিয়মৰ অধীনত আদায় দিব পৰা নহয় বুলি ধৰা হয় । ইয়াক খাৰিজ কৰা হয় আৰু দিয়াজনক খাৰিজৰ পৰামৰ্শ আগবঢ়োৱা হয় । খাৰিজ কৰা নোট বেঙ্কে ৰাখি থয় আৰু চাৰি মাহৰ অন্তত ইয়াক নষ্ট কৰে । চাৰি মাহৰ সংৰক্ষণত সময় দিয়াজনে পুন: বিবেচনাৰ বাবে সম্পৰ্কীয় ইচ্ছু কাৰ্য্যালয়ত আৱেদন কৰিব পাৰে ।।

(ii) যিবোৰ নোট / খুচুৰা পইচা জালিয়াতি / নকল বুলি ধৰা পৰে সেইবোৰ জব্দ কৰা হয় আৰু তাৰ মূল্য আদায় দিয়া নহয় । দিয়া জনক পৰামৰ্শ আগবঢ়াই এইবোৰ নোট / খুচুৰা পইচা বেঙ্কে ৰাখি থয় ।

(iii) আৰবিআই এ ইচ্ছু কৰা বেঙ্ক নোটৰ প্ৰতিভূতি বৈশিষ্ট্যসমূহ ৰাইজক জাননী হিচাপে আৰবিআই বেঙ্কৰ ৱেবচাইট http://www.rbi.org.in/currency/banknotes.html ত দিয়ে

(iv) নোট আৰু খুচুৰা পইচাৰ ফৰমাচ গ্ৰাহকৰ প্ৰকৃত ব্যৱসায় / ব্যক্তিগত প্ৰয়োজনৰ সমানুপাতিক হ'ব লাগে ।

**8. লেতেৰা বা ফটা-ছিটা নোট আৰু খুচুৰা পইচা বাণিজ্যিক বেঙ্কৰ কাউন্টাৰত বিনিময়**

(I) নিৰ্দিষ্ট স্থানত ৰিজাৰ্ভ বেঙ্কৰ কাৰ্য্যালয় অৱস্থিত । সেই হেতুকে, বেঙ্কে অনুসূচিত বাণিজ্যিক বেঙ্কৰ শাখাত লেতেৰা নোট বিনিময়, নোট খুচুৰা পইচালৈ বিনিময় আৰু খুচুৰা পইচা নোটলৈ বিনিময় কৰাৰ সুবিধাৰ ব্যৱস্থা কৰিছে । এহাতে লেতেৰা নোট বিনিময় কৰাৰ সুবিধা ৰাজহুৱা খণ্ডৰ সকলো বেঙ্কৰ শাখাত প্ৰাপ্তব্য, আনহাতে নষ্ট হোৱা / ফটা-ছিটা নোট বিনিময় কৰাৰ সুবিধা কেৱল নিৰ্বাচিত বাণিজ্যিক বেঙ্কৰ শাখাতহে প্ৰাপ্তব্য । এটা নিৰ্বাচিত বেঙ্কৰ শাখাৰ তালিকা য'ত ফটা-ছিটা নোট বিনিময় কৰিব পৰা যায় আৰবিআই কাৰ্য্যালয়ৰ অনুসন্ধান কাউন্টাৰত প্ৰাপ্তব্য । নষ্ট হোৱা নোটৰ বিনিময় শাখাত প্ৰাপ্তব্য বুলি জাননী ফলকত উল্লেখ কৰাৰ বাবে এই নিৰ্বাচিত শাখাসমূহক নিৰ্দেশ দিয়া হয় । যদি কোনো এনে শাখাই নষ্ট হোৱা নোট বিনিময়ৰ সুবিধা দিব নিবিছাৰে, ভুক্তভোগী ৰাইজে সেই বাণিজ্যিক বেঙ্কৰ চেয়াৰমেন আৰু মেনেজিং ডাইৰেক্টৰ / চিইঅ'ৰ ওচৰত গোচৰ তৰিব পাৰে । যদি এই গোচৰৰ মীমাংসা কৰা নহয়, এই কথা সম্পৰ্কীয় ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ আঞ্চলিক কাৰ্য্যালয়ৰ দৃষ্টি গোচৰ কৰিব পাৰে ।

(ii) অন্য বেঙ্কৰ শাখাসমূহে যেনে, কো-অপাৰেটিভ বেঙ্ক আৰু ৰিজনেল ৰুৰেল বেঙ্ক, তেওঁবিলাকৰ নিজৰ সুবিধামতে নোট আৰু খুচুৰা পইচা বিনিময় কৰাটো বাঞ্চনীয় । যি কি নহওঁক, তেওঁবিলাকৰ নষ্ট হোৱা নোট বিনিময় কৰাৰ ক্ষমতা নাই ।

**9. পৰামৰ্শ / মন্তব্য**

নাগৰিকৰ চনদৰ ক্ষেত্ৰত যদি ৰাইজৰ কোনো পৰামৰ্শ / মন্তব্য থাকে,তেওঁ চিফ জেনেৰেল মেনেজাৰ, ডিপাৰ্টমেন্ট অৱ কাৰেঞ্চি মেনেজমেন্ট, ৰিজাৰ্ভ বেঙ্ক অৱ ইণ্ডিয়া, চেন্ট্ৰেল অফিচ, অমৰ বিল্ডিং, চাৰ পি.এম.ৰ'ড, ফোৰ্ট, মুম্বাই-400 001 লৈ লিখিব পাৰে ।

**ANNEX**

## আৰবিআই ইচ্ছ্যু অফিচৰ ঠিকণা আৰু ইয়াৰ এলাকা

| ক্র.নং. | আৰবিআই কাৰ্য্যলয়ৰ ঠিকণা | এলাকা |
|---|---|---|
| 1. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, 2য় মহলা, গান্ধী সেতুৰ সমীপত,<br>আহমদাবাদ 380 014 | গুজৰাট ৰাজ্য আৰুডাড্ৰা আৰু নগৰ হাভেলি আৰু দমন আৰু ডিউ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ |
| 2. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, 10/3/8, নৃপাথুংগা ৰ'ড,<br>বাংগালোৰ -560 001 | কৰ্ণাটক ৰাজ্য |
| 3. | ডেপুটি জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, পণ্ডিত জৱাহৰলাল নেহেৰু মাৰ্গ,<br>পোষ্ট বক্স নং. 16, ভুবনেশ্বৰ -751 00 | উৰিষ্যা ৰাজ্য |
| 4. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, মুখ্য বিল্ডিং, শ্বহীদ ভগত সিং মাৰ্গ,<br>ফোৰ্ট, মুম্বাই -400 001 | গ্ৰেটাৰ মুম্বাই, যেনে মুম্বাই দ্বীপ আৰু চাবাৰবান জিলা (সাধাৰণভাৱে দক্ষিণৰ এটা লাইন যি দহিশৰ আৰু মুলুন্দক ৱেষ্টাৰ্ণ আৰু চেন্ট্ৰেল ৰেইলৰে'জত ক্ৰমাগতভাৱে লগ লগাইছে) |
| 5. | ডেপুটি জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, হোশ্বাংগাবাদ ৰ'ড,<br>পোষ্ট বক্স নং. 32, ভূপাল -462 011 | মধ্য প্ৰদেশ ৰাজ্য |
| 6. | ডেপুটি জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, প্লট নং. 3 চেক্টৰ 10,<br>এইচ.এইচ. নিৰ্মলা দেৱী মাৰ্গ, চিবিডি,<br>বেলাপুৰ, নৱী মুম্বাই-400 614 | মহাৰাষ্ট্ৰ ৰাজ্যৰ আহমদনগৰ, কোল্হাপুৰ, নাচিক, পুণে, ৰায়গড়, ৰত্নাগিৰি, সাংগলি, সতাৰা, সিন্ধুদূৰ্গ, চ'লাপুৰ আৰু থানে আৰু গোৱা ৰাজ্য |
| 7. | ডেপুটি জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, চেন্ট্ৰেল ভিষ্টা, টেলিফোন ভৱনৰ<br>সন্মুখত , চেক্টৰ 17, চণ্ডীগড়-160 017 | হাৰিয়ানা, হিমাচল প্ৰদেশ, পঞ্জাব আৰু চণ্ডীগড়ৰ কেন্দ্ৰীয় শাসিত অঞ্চল |
| 8. | ডেপুটি জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, ফোৰ্ট গ্লেচিচ নং. 16,<br>ৰাজাজী চালাই, পোষ্ট বক্স নং. 40<br>চেন্নাই-600 001 | তামিল নাডু ৰাজ্য আৰু পণ্ডীচেৰীৰ কেন্দ্ৰীয় শাসিত |

| ক্ৰ.নং. | আৰবিআই কাৰ্য্যলয়ৰ ঠিকণা | এলাকা |
|---|---|---|
| 9. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, ষ্টেচন ৰঐড, পানবজাৰ,<br>পোষ্ট বক্স নং. 120, গুৱাহাটী-781 001 | অসম, অৰুণাচল প্ৰদেশ,<br>মণিপুৰ, মেঘালয়, মিজোৰাম,<br>নগালেণ্ড আৰু ত্ৰিপুৰা ৰাজ্যসমূহ |
| 10. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, 6-1-65,<br>চেক্ৰেটেৰিয়েট ৰ'ড, চাইফাবাদ,<br>হায়দৰাবাদ-500 004 | অন্ধ্ৰ প্ৰদেশ ৰাজ্য |
| 11. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, ৰে'ল হেড কমপ্লেক্স,<br>জম্মু-180 012 | জম্মু আৰু কাশ্মীৰ ৰাজ্য |
| 12. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, ৰামবাগ চাৰ্কোল,<br>টঙ্ক ৰ'ড, পোষ্ট বক্স নং. 12<br>জয়পুৰ-302 004 | ৰাজস্থান ৰাজ্য |
| 13. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, এম.জি মাৰ্গ,<br>পোষ্ট বক্স নং. 82 /142,<br>কানপুৰ-208001 | উত্তৰ প্ৰদেশ আৰু উত্তৰাঞ্চল ৰাজ্য |
| 14. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, পোষ্ট বেগ নং. 49<br>কলকাতা-700 001 | চিকিম আৰ পশ্চিম বঙ্গ ৰাজ্য আৰু<br>আন্দামান আৰু নিকোবৰ<br>দ্বীপপুঞ্জ কেন্দ্ৰীয় শাসিত অঞ্চল |
| 15. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, মুখ্য অফিচ বিল্ডিং,<br>ডা. ৰাঘবেন্দ্ৰ ৰাও ৰ'ড,<br>পোষ্ট বক্স নং.15, চিভিল লাইন্স,<br>নাগপুৰ-440 001 | চট্টিশগড় ৰাজ্য আৰু মহাৰাষ্ট্ৰ<br>ৰাজ্যৰ আকোলা, বীড, ভাণ্ডাৰা,<br>বুলধানা, চন্দ্ৰপুৰ, ধুলে, গাডচিৰ'লি<br>হিংগোলি, জলগাওঁ, জালনা,<br>লাটোৰ, নাগপুৰ, নান্দেড,<br>ওচমানাবাদ, পৰভানি, ৱাৰ্ধা,<br>যবতমল জিলা |

| ক্র.নং. | আৰবিআই কাৰ্য্যলয়ৰ ঠিকণা | এলাকা |
|---|---|---|
| 16. | জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, 6, সংসদ মাৰ্গ,<br>নতুন দিল্লী-110 001 | দিল্লী ৰাজ্য |
| 17. | ডেপুটি জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, দক্ষিণ গান্ধী মৈদান<br>পোষ্ট বক্স নং. 162,<br>পাটনা-800 001 | বিহাৰ আৰু ঝাৰখণ্ড |
| 18. | ডেপুটি জেনেৰেল মেনেজাৰ<br>ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক,<br>ইচ্ছ্যু বিভাগ, বেকাৰী জংচন,<br>পোষ্ট বক্স নং.-6507<br>থিৰুভনন্তপুৰম-695 033 | কেৰেলা ৰাজ্য আৰু<br>লাক্ষা দ্বীপ কেন্দ্ৰীয় শাসিত অঞ্চল |